# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
# 0000000000

**Date :** 01-06-2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***

HEADLIES/01-6-25

১। ৰাজ্যৰ বান পৰিস্থিতি অপৰিৱৰ্তিত। বান পৰিস্থিতিৰে মোকাবিলা কৰাৰ ক্ষেত্ৰত অসমক সকলো প্ৰকাৰে সহায়ৰ আশ্বাস গৃহমন্ত্ৰী অমিত শ্বাহৰ।

২। অসমৰ লগতে উত্তৰ পূৰ্বাঞ্চলত ধাৰাষাৰ বৰষুণৰ ফলত হোৱা বান-ভূমিস্খলনত ৩০ জন লোকৰ মৃত্যু।

৩। গুৱাহাটীৰ ভূমিস্খলনত মৃত্যু হোৱাৰ পাঁচজন লোকৰ পৰিয়ালক ৪ লাখকৈ আৰ্থিক সাহায্য আগবঢ়োৱাৰ সিদ্ধান্ত।

৪। অসম অসামৰিক সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া ৰঞ্জন শৰ্মাৰ ৰাজ্যিক নিৰ্বাচনী আয়ুক্ত হিচাপে শপতগ্ৰহণ।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হ'বলগীয়া দ্বিতীয়খন কোৱালিফায়াৰত মুম্বাই ইণ্ডিয়ানছ, পাঞ্জাব কিংছৰ মুখামুখি।

০০০০০০০

বিগত কেইবাদিনো হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যৰ ১২ খন জিলাৰ ৩ লাখৰো অধিক লোক বানৰ কবলত পৰিছে। গোৱালপাৰা, লখিমপুৰ, গহপুৰ, নগাঁৱৰ কামপুৰ, পশ্চিম কাৰ্বি আংলং, তিনিচুকীয়া, ডিব্ৰুগড়ৰ লগতে কাছাৰ জিলাৰ বহু অঞ্চল প্লাবিত হৈ পৰিছে। গৃহমন্ত্ৰী অমিত শ্বাহে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা সৈতে ফোনযোগে বাৰ্তালাপ কৰি ৰাজ্যৰ বান পৰিস্থিতি সন্দৰ্ভত বুজ লয়। গৃহমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ বান পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ সকলো ধৰণৰ সহায়ৰ আশ্বাস প্ৰদান কৰিছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বিষয়েও অৱগত কৰে।

ৰাজ্যৰ শেহতীয়া বান পৰিস্থিতি অনুসৰি পশ্চিম কাৰ্বি আংলং জিলাৰ বৈঠালাংছৰ ১৫ খন গাঁও প্লাবিত হৈছে। জিলাখনৰ ১০০ মেগাৱাট শক্তিসম্পন্ন কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্পৰ পাঁচখনকৈ শ্লুইছ গে'ট খুলি দিয়াৰ ফলত নামনি অঞ্চলত বানৰ সৃষ্টি হৈছে। বৈঠালাংছ আৰু বৰছালি সংযোগ পথৰ ওপৰেৰে পানী বাগৰি ১০ খনকৈ গাঁৱেৰে সংযোগ বিচ্ছিন্ন হৈ পৰিছে। এই বানত খাৰুপিন্ধা, ইংহিন, বৰছালি, থাৰ্বেআবি, ৰংফেলান, উদমাৰীকে ধৰি ১৫ খনকৈ গাঁও প্লাবিত হৈছে। আজি কাৰ্বি পৰিষদৰ এক নম্বৰ দোৱাৰ-আমলা পৰিষদীয় সমষ্টিৰ অন্তৰ্গত এই অঞ্চলসমূহ স্থানীয় পাৰিষদ তথা কাৰ্বি পৰিষদৰ কাৰ্যবাহী সদস্য প্ৰভাত চন্দ্ৰ তাৰোৱে এখন নাৱেৰে গৈ পৰিদৰ্শন কৰাৰ লগতে বানপীড়িত লোকক নিজাববীয়াকৈ সাহায্য সামগ্ৰী প্ৰদান কৰে।

অবিৰত বৰষুণৰ ফলত কাছাৰ জিলাৰ জনজীৱন কাৰ্যত স্তব্ধ হৈ পৰিছে। বৰাক নদীৰ জলপৃষ্ঠই বিপদ সীমা অতিক্ৰম কৰাত বিভিন্ন অঞ্চল প্লাবিত হৈছে। জিলাখনৰ বৃহত্তৰ কাটিগড়া, উদৰবন্দৰ লগতে শিলচৰ চহৰৰ বহুকেইটা অঞ্চল জলমগ্ন হৈছে। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে প্ৰশাসনে নদীৰ পাৰৰ কেইবাখনো শ্লুইছ গে'টৰ কপাট বন্ধ কৰি দিছে। শিলচৰ কুম্ভীৰগ্ৰাম বিমান বন্দৰলৈ যোৱা ভি আ পি ৰোডৰ ওপৰেৰে পানী বাগৰাৰ ফলত পথছোৱা বন্ধ হৈ পৰিছে। তাৰ পৰিপ্ৰেক্ষিতত উদাৰবন্ধ কালিবাৰী ৰোড হৈ বিমান বন্দৰলৈ যাবলৈ প্ৰশাসনে অনুৰোধ জনাইছে। অঞ্চলটোৰ নৈৰ পাৰত বাস কৰা বহু পৰিয়ালৰ ঘৰ জলমগ্ন হোৱাত চহৰৰ কেইবাখনো বিদ্যালয়ত পতা বান শিবিৰত আশ্ৰয় লৈছে। পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ প্ৰশাসন সম্পূৰ্ণ সক্ৰিয় হৈ পৰিছে। প্ৰতিকূল বতৰ তথা বান পৰিস্থিতিৰ বাবে কাছাৰ জিলাৰ সকলো চৰকাৰী আৰু বে-চৰকাৰী বিদ্যালয় কাইলৈ আৰু পৰহিলৈ প্ৰশাসনে বন্ধ ঘোষণা কৰিছে।

তিনিচুকীয়া জিলাৰ অৰুণাচল সীমান্তৱৰ্তী নামনি দিবাং জিলাৰ বোমজিৰ নৈৰ বাঢ়নি পানীৰ মাজত আবদ্ধ হৈ পৰা ১৪ জন লোকক আজি হেলিকপ্টাৰৰ জৰিয়তে সুকলমে উদ্ধাৰ কৰা হয়। উদ্ধাৰ কৰা লোক কেইজনৰ ১৩ জনে তিনিচুকীয়া জিলাৰ। তিনিচুকীয়া জিলা আয়ুক্ত স্বপ্নীল পালে এটা সংকটকালীন ফোন পোৱাৰ পাছতে কালি নিশাই এই সম্পৰ্কে অসম দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণ, বায়ু সেনা বিভাগৰ সহায় বিচৰাৰ লগতে অৰুণাচলৰ নামনি দিবাং জিলাৰ প্ৰশাসনকো সষ্টম কৰি তোলে। আজি পুৱাৰ ভাগতে বায়ু সেনা বাহিনীয়ে উদ্ধাৰ অভিযান চলাই আটাইকে উদ্ধাৰ কৰে।

লখিমপুৰ জিলা আয়ুক্তই জিলাখনৰ বান পীড়িত পোতাবিল, পাঁচনৈ আৰু কয়লামাৰি অঞ্চলৰ বান পৰিস্থিতি পৰিদৰ্শন কৰে। আয়ুক্তগৰাকীয়ে লগতে বান পীড়িতসকলক সাহায্য বিতৰণৰ বাবে স্থাপন কৰা কেন্দ্ৰসমূহ পৰিদৰ্শন কৰি ব্যৱস্থাৰ বুজ লয়। কালি লখিমপুৰৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে জিলাখনৰ বানে ছিঙা মথাউৰি পৰিদৰ্শন কৰিছিল।

কালি বিয়লিৰে পৰা বৃদ্ধি হৈ থকা ব্ৰহ্মপুত্ৰৰ পানীয়ে আজি পুৱাই শিৱসাগৰৰ কোঁৱৰপুৰ মৌজাৰ মামল গড়ভঙাত ব্ৰহ্মপুত্ৰৰ এখন শ্লুইছ গে'ট ভাঙি নিয়ে। শ্লুইছ গে'টখন ভাগি যোৱাৰ ফলত কোঁৱৰপুৰৰ জনবসতিপূৰ্ণ এলেকা প্লাবিত হৈ পৰিছে।

ব্ৰহ্মপুত্ৰৰ জলস্তৰৰ উচ্চতা বৃদ্ধি হোৱাৰ বাবে যোৰহাট আৰু মাজুলীৰ মাজৰ ফেৰীসেৱা পৰৱৰ্তী জাননী নিদিয়ালৈকে স্থগিত ৰখা গৈছে। সকলোকে সাৱধানতা অৱলম্বন কৰিবলৈ অনুৰোধ জনোৱাৰ লগতে যিকোনো সহায়ৰ বাবে জিলা জৰুৰীকালীন অভিযান কেন্দ্ৰক জনাবলৈ যোৰহাট জিলা প্ৰশাসনে অনুৰোধ জনাইছে।

ooooo

ৰাজ্য চৰকাৰৰ গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ নেতৃত্বত কামৰূপ মহানগৰ জিলাৰ আয়ুক্ত কাৰ্যালয়ত আজি জৰুৰীকালীন বান সাহায্য প্ৰদানক লৈ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত মহানগৰত ভূমিস্খলনত মৃত্যু হোৱা লোকৰ পৰিয়ালক চাৰি লাখ টকাকৈ সাহায্য প্ৰদানৰ লগতে গুৱাহাটীৰ কৃত্ৰিম বানত ক্ষতিগ্ৰস্ত সকলো লোককে সাহায্য প্ৰদানৰ প্ৰক্ৰিয়া ক্ষীপ্ৰ কৰাৰ সিদ্ধান্ত লোৱা হয়। বৈঠকৰ অন্তত সংবাদ মাধ্যমৰ আগত মন্ত্ৰীগৰাকীয়ে গুৱাহাটীত ভূমিস্খলনৰ ফলত মৃত্যু হোৱা ৫ গৰাকী লোকৰ পৰিয়ালে আজিৰ ভিতৰতে সাহায্য ধনৰাশিৰ চেক লাভ কৰিব বুলি প্ৰকাশ কৰে।

***(বাইট ঃ জয়ন্ত মল্লবৰুৱা)***

ooooo

ডিব্ৰুগড়ৰ ৰহমৰিয়াত আজি ব্ৰহ্মপুত্ৰৰ পানীত ৪ জনকৈ লোক সন্ধানহীন হৈ পৰিছে। ৰহমৰিয়া লাইনৰ অজয় ওৰাং, ৰঞ্জিত ওৰাং আৰু বৰুতি চুকৰ পিতিকৈ দাস নাম লোককেইজন ব্ৰহ্মপুত্ৰৰ মাজৰ পল ভঙা চাপৰিত থকা গৰু খুঁটিলৈ যোৱাৰ সময়ত সন্ধানহীন হয়। লোক কেইজনক উদ্ধাৰৰ বাবে এন ডি আৰ এফ আৰু এছ ডি আৰ এফৰ দলে ব্ৰহ্মপুত্ৰৰ অভিযান চলাইছে যদিও বাতৰি যুগুত কৰাৰ পৰলৈকে কোনো শুংসূত্ৰ লাভ কৰা নাই। ইপিনে, ডিব্ৰুগড়ৰ অকলেণ্ডৰ ১৭ নম্বৰ লাইনৰ তনুজ মুৰা নামৰ ৭ বছৰীয়া এটি শিশু ব্ৰহ্মপুত্ৰৰ বুকুত সন্ধানহীন হৈছে। শিশুটোৰ অনুসন্ধানটো এন ডি আৰ এফ আৰু এছ ডি আৰ এফে উদ্ধাৰ অভিযান চলাই আছে। উল্লেখযোগ্য যে, কেইবাদিনো ধৰি হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত ব্ৰহ্মপুত্ৰৰ জলস্তৰৰ উচ্চতা বহু পৰিমাণে বৃদ্ধি পাইছে।

ooooo

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাত **বৰষুণৰ এটা দিন** শীৰ্ষক এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত পৰহি গুৱাহাটী মহানগৰীত হোৱা অভূতপূৰ্ব নগৰীয়া বানৰ সময়ত সৃষ্টি হোৱা অচলাৱস্থা আৰু এই সময়ত মানৱীয় প্ৰমূল্য সম্পৰ্কত ছাত্ৰ-ছাত্ৰী, অভিভাৱক, আৰক্ষী কৰ্মচাৰী আৰু সাংবাদিকৰ মতামত শুনিবলৈ পাব। অনুষ্ঠানটিৰ পৰিকল্পনা আৰু প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

ooooo

অসম অসামৰিক সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া ৰঞ্জন শৰ্মাই আজি ৰাজ্যিক নিৰ্বাচনী আয়ুক্ত হিচাপে শপত গ্ৰহণ কৰে। ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই আজি ৰাজভৱনত আয়োজিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত শ্ৰীশৰ্মাক কাৰ্যভাৰ গ্ৰহণ আৰু গোপনীয়তা ৰক্ষাৰ শপতবাক্য পাঠ কৰোৱায়। শ্ৰীশৰ্মাই ৬৫ বছৰ বয়স পৰ্যন্ত এই পদত কাৰ্যনিৰ্বাহ কৰিব পাৰিব। পূৰ্বৰ নিৰ্বাচনী আয়ুক্ত আলোক কুমাৰৰ কাৰ্যকাল কালি উকলি যোৱাৰ পৰিপ্ৰেক্ষিতত শ্ৰীশৰ্মাক এই পদত নিযুক্তি দিয়া হয়।

বাইট

উল্লেখযোগ্য যে এই পদত নিযুক্তি লাভ কৰা অৱসৰপ্ৰাপ্ত অসামৰিক সেৱাৰ বিষয়াগৰাকীয়ে পূৰ্বে মুখ্যমন্ত্ৰীৰ সচিবালয়ৰ বিশেষ আয়ুক্ত সচিব, ৰাজ্যিক চিকিৎসা বিজ্ঞান আৰু স্বাস্থ্য নিযুক্তি বোৰ্ডৰ অধ্যক্ষ পদকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ পদত কাৰ্যনিৰ্বাহ কৰিছিল। আজিৰ অনুষ্ঠানত ৰাজ্যৰ মুখ্য সচিব ডং ৰবি কোটা, অতিৰিক্ত মুখ্য সচিব ডং জে বি এক্কাৰ উপৰি ভালেসংখ্যক শীৰ্ষ প্ৰশাসনীয় বিষয়া উপস্থিত থাকে।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত আজি ৰাজ্যিক মন্ত্ৰীসভাৰ উপ সমিতিৰ বৈঠক অনুষ্ঠিত হয়। বৈঠকত ২০০৬ চনৰ ১ জানুৱাৰীত বা তাৰ আগেয়ে স্থাপন হোৱা শিক্ষানুষ্ঠানসমূহৰ প্ৰাদেশিকীকৰণৰ খছৰা বিধেয়ক সন্দৰ্ভত পৰ্যালোচনা কৰা হয়। এই বৈঠকত ছাত্ৰ-ছাত্ৰীসকলৰ নামভৰ্তি, ভূমি অধিকাৰৰ প্ৰমাণ পত্ৰ, নিম্ন মাধ্যমিক, উচ্চ, উচ্চতৰ মাধ্যমিক আৰু মহাবিদ্যালয় বিত্তীয় আৱশ্যকতাকে ধৰি ভালেমান বিষয় আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে বিষয়া কৰ্মচাৰীসকলক তথ্য পৰীক্ষণৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰাৰ লগতে বিভাগীয় সহযোগিতা সুদৃঢ় কৰিবলৈ নিৰ্দেশ দিয়ে।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে আজি দিছপুৰৰ জনতাভৱনত সদৌ অসম সন্মিলিত শিক্ষক মঞ্চৰ সৈতে এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত শিক্ষকৰ আৰ্জিত ছুটী ৩০ দিনলৈ বৃদ্ধি কৰা সন্দৰ্ভত

মুখ্যমন্ত্ৰীয়ে শীঘ্ৰে ইতিবাচক সিদ্ধান্ত আনুষ্ঠানিকভাৱে ঘোষণা কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। আলোচনা কালত অসম ৰাজ্যিক প্ৰাথমিক শিক্ষা সন্মিলনীৰ তৰফৰ পৰা বিশেষ প্ৰক্ৰিয়াৰে নিযুক্ত শিক্ষকসকলৰ বাৰ্ষিক বেতনৰ বাবে নিৰ্ধাৰণ কৰা এবছৰৰ সময়সীমা হ্ৰাস আৰু স্নাতক শিক্ষকৰ পৰা কৰ্তন কৰা ৮ হাজাৰ ৭০০ টকাৰ গ্ৰেট পে ঘূৰাই দিয়াৰ বাবে দুখন স্মাৰকপত্ৰ প্ৰদান কৰে। এই আলোচনাত মঞ্চৰ প্ৰতিনিধিসকলে শিক্ষকৰ পদোন্নতি ছাত্ৰ-ছাত্ৰীৰ পাঠ্যপুথি যোগান আদি বিষয়ো মুখ্যমন্ত্ৰীৰ দৃষ্টিগোচৰ কৰে।

ooooo

অসম আৰক্ষীয়ে বৈৰী ৰাষ্ট্ৰক সমৰ্থন কৰি মত প্ৰকাশ কৰাৰ অভিযোগত এতিয়ালৈকে ৮১ জন লোকক গ্ৰেপ্তাৰ কৰি কাৰাগাৰলৈ প্ৰেৰণ কৰিছে। শেহতীয়াকৈ শোণিতপুৰ আৰক্ষীয়ে মহম্মদ দিলবৰ হুছেইন আৰু কামৰূপ আৰক্ষীয়ে হাফিজুৰ ৰহমান নামৰ লোক দুজনক গ্ৰেপ্তাৰ কৰে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰি দেশ বিৰোধী মন্তব্য কৰা ব্যক্তি বা গোটক চিনাক্ত কৰি দেশৰ নিৰাপত্তা অক্ষুন্ন ৰখাৰ ক্ষেত্ৰত প্ৰয়াস অব্যাহত ৰাখিব বুলি উল্লেখ কৰে।

ooooo

অহা বছৰ ৰাজ্যখনত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ বাবে শাসনাধিস্থিত  বিজেপিকে ধৰি ৰাজনৈতিক দলসমূহে প্ৰস্তুতি আৰম্ভ কৰিছে। গোলাঘাটত আজি এই প্ৰস্তুতিৰ অংশ হিচাপে জিলা  বিজেপিৰ এখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। এই সভাত মন্ত্ৰী অজন্তা নেওগ, সাংসদ কামাখ্যা প্ৰসাদ তাছাৰ উপৰি দলৰ বহু বিষয়ববীয়া আৰু কাৰ্যকৰ্তাই অংশগ্ৰহণ কৰে। এই সভাত তৃণমূল পৰ্যায়ৰ পৰা প্ৰতিটো সমস্যাৰ বুজ লবলৈ দলীয় কৰ্মকৰ্তাসকলক মন্ত্ৰী শ্ৰীমতী নেওগে আহ্বান জনায়। ইপিনে, কংগ্ৰেছ দলৰ নৱ নিযুক্ত ৰাজ্যিক সভাপতি গৌৰৱ গগৈয়ে আজি শিৱসাগৰত এলানি দলীয় কাৰ্যসূচীত অংশগ্ৰহণ কৰি দলটোৰ প্ৰস্তুতি আৰু ৰণনীতি সন্দৰ্ভত প্ৰকাশ কৰে। জিলাখনৰ নেতা কৰ্মীসকলে শ্ৰীগগৈক জিলাখনত আদৰণি জনায়। বিৰোধী দলৰ ৰাজ্যিক সভাপতিগৰাকীয়ে  ৰাইজৰ সহযোগিতাৰে দলটোক নিৰ্বাচনৰ বাবে সাজু হ'ব বুলি মন্তব্য কৰে।

ooooo

পুডুচেৰী আৰক্ষীয়ে আজি মৰিগাওঁ আৰক্ষীৰ সহযোগত জিলাখনৰ লাহৰিঘাটৰ পৰা চাইবাৰ অপৰাধত অভিযুক্ত দুজন লোকক কৰায়ত্ত কৰে। ধৃত লোক দুজন জিলাখনৰ গৰিয়াবৰী গাওঁৰ আববাছ আলী আৰু বৰালীমাৰী গৰিয়া গাঁৱৰ হাজিবুৰ ৰহমান বুলি চিনাক্ত কৰা হৈছে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে, দুয়োজন অভিযুক্তই পুডুচেৰীৰ এজন লোকৰ পৰা কৌশলেৰে ৫৪ লাখ টকা সৰকাইছিল। ঘটনা সন্দৰ্ভত পুডুচেৰী আৰক্ষীৰ দলে অভিযান চলাই মৰিগাওঁ জিলা আৰক্ষীৰ সহযোগত লোক দুজনক গ্ৰেপ্তাৰ কৰে। লোক দুজনক অধিক তথ্য আৰু তদন্তৰ বাবে পুডুচেৰীলৈ লৈ যোৱা হৈছে।

ooooo

অৰুণাচল প্ৰদেশৰ পাছিঘাটত অসম সাহিত্য সভাৰ উদ্যোগত আৰু পাছিঘাট শাখা সাহিত্য সভাৰ সহযোগত আজি দিনযোৱা কাৰ্যসূচীৰে বিশিষ্ট সাহিত্যিক লুম্মেৰ ডাইৰ ৮৫ সংখ্যক জয়ন্তী উদযাপন কৰা হয়। এই অনুষ্ঠানত সাহিত্যিক গৰাকীৰ আবক্ষ মূৰ্তি উন্মোচনৰ লগতে লুম্মেৰ ডাই সাহিত্য বঁটা প্ৰদান কৰা হয়। পুৱাৰ ভাগত অসম সাহিত্য সভাৰ সভাপতি ডঃ বসন্ত কুমাৰ গোস্বামীয়ে সভাৰ পতাকা উত্তোলন কৰাৰ পাছত আদি বানে কিবাংৰ সভাপতি তাদুম লিবাং আৰু আদি আগম কিবাংৰ সভাপতি টায়েত তালমে সাহিত্যিকগৰাকীৰ আবক্ষ মুৰ্তি উন্মোচন কৰে। দিনৰ ভাগত আয়োজিত অনুষ্ঠানত পদ্মশ্ৰী সন্মানেৰে সন্মানিত

মামাং ডাইক লুম্মেৰ ডাই বঁটা প্ৰদান কৰা হয়। এই অনুষ্ঠানত বিশিষ্ট সাহিত্যিক তথা অৰুণাচল প্ৰদেশ লিটাৰেৰী ছোচাইটিৰ সভাপতি য়েছে দৰজে থংছি আৰু সাহিত্যিক নন্দ সিং বৰকলাৰ লগতে দুয়োখন ৰাজ্যৰ ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

অসম সাহিত্য সভাৰ আহ্বানত আজি ওদালগুৰি জিলা সাহিত্য সভাইও বিশিষ্ট সাহিত্যিক লুম্মেৰ ডাইৰ ওপজা দিন পালন কৰে।

০০০০০

বিশ্বনাথ জিলাৰ শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ উদ্যোগত ছদিনীয়াকৈ অনুষ্ঠিত কিতাপ পঢ়িবলৈ যাও ব'লা শীৰ্ষক কাৰ্যসূচী আজি সামৰণি পৰে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি জ্ঞান সাৰথি গ্ৰন্থ যাত্ৰা, গ্ৰন্থ মেলা, জিলা পৰ্যায়ৰ চিত্ৰাংকন আৰু কুইজ প্ৰতিযোগিতাৰ উপৰি মোৰ জীৱনক প্ৰভাৱিত কৰা এখন গ্ৰন্থ শীৰ্ষক বিষয়ক ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই উপলক্ষে ন-পুৰণি প্ৰশিক্ষাৰ্থীৰ অন্তৰংগ আলাপ আৰু এখন প্ৰদৰ্শনী মুকলি কৰা হয়। এই অনুষ্ঠান সন্দৰ্ভত জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ অধ্যক্ষ চন্দন কুমাৰ ভূঞাই এইদৰে কয়।

বাইট

০০০০০

অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ ছখনকৈ ৰাজ্যত যোৱা দুদিন ধৰি ধাৰাষাৰ বৰষুণ অব্যাহত আছে। বতৰ বিজ্ঞান বিভাগে দিয়া বতৰৰ আগজাননী অনুসৰি অনাগত ৭ দিনলৈ উত্তৰ-পূৰ্বাঞ্চলত বৰষুণ হৈ থাকিব। বংগোপসাগৰৰ উত্তৰ-পশ্চিম উপকূলত সৃষ্টি হোৱা নিম্ন চাপৰ বাবে উত্তৰ-পূৰ্বাঞ্চলত হোৱা ধাৰাবাহিক বৃষ্টিপাতে সৃষ্টি কৰা বান, ভূমিস্খলনত এই পৰ্যন্ত  ৩০ জনকৈ লোকে প্ৰাণ হেৰুৱাইছে। অসমত ৮ জনকৈ লোকৰ মৃত্যু হৈছে। গুৱাহাটীৰ ভূমিস্খলনত ৮ জন লোকৰ মৃত্যু হোৱাৰ লগতে গোলাঘাটত শিশুসহ দুজন আৰু লখিমপুৰত এজন লোকে প্ৰাণ হেৰুৱাইছে। একেদৰে অৰুণাচলত ৯ জন, মেঘালয়ত ৬ জন, মিজোৰামত ৫ জন, নাগালেণ্ড আৰু ত্ৰিপুৰাত এজনকৈ লোকৰ মৃত্যু হৈছে। মেঘালয়ৰ আইজল, লুংলেই, চাম্ফাই, কলাছিব, ছাৰছিপ, মমিত, ছাইতোৱালকে ধৰি বহু কেইটা অঞ্চলত ভূমিস্খলন হৈছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া দ্বিতীয়খন কোৱালিফায়াৰত পাঁচবাৰৰ চেম্পিয়ন মুম্বাই ইণ্ডিয়ানছ, পাঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। এই খেলখনত জয়লাভ কৰা দলটো মঙলবাৰে একেখন ষ্টেডিয়ামত হ'বলগীয়া ফাইনেলত ৰয়েল ছেলেঞ্জাৰ্চ বেংগালুৰুৰ সন্মুখীন হ'ব। মুম্বাই ইণ্ডিয়ানছে বৰ্তমানলৈকে পাঁচবাৰ আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ খিতাপ দখল কৰিছে। ইয়াৰ বিপৰীতে পাঞ্জাবে প্ৰতিযোগিতাৰ ইতিহাসত প্ৰথমবাৰৰ বাবে খিতাপ অৰ্জনৰ চেষ্টা চলাব।

০০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃঃঃঃঃ